NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 09-05-2024

**Time :** 0705 hrs

*Assamese Morning Bulletin*

**HEADLINES**

১। দেশৰ বিভিন্ন প্ৰান্তত পৰৱৰ্তী ৪টা পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে।

২। লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত ৬৯৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাটো নিশ্চিত হৈছে।

৩। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি পদ্ম সন্মান প্ৰদান কৰিব।

৪। ন্যায়ালয়ে আবকাৰি নীতিৰ গোচৰত দিল্লীৰ প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী মনীষ ছিছোদিয়াৰ ন্যায়িক জিম্মাৰ ম্যাদ ২১ মে'লৈ বৃদ্ধি কৰিছে। ***আৰু***

৫। ছানৰাইজাৰ্ছ হায়দৰাবাদে যোৱা নিশা আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ১০ উইকেটত পৰাস্ত কৰে।

oooooo

দেশৰ বিভিন্ন প্ৰান্তত পৰৱৰ্তী ৪টা পৰ্যায়ৰ নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান তীব্ৰতৰ হৈ উঠিছে। বিজেপিৰ জ্যেষ্ঠ নেতা তথা প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে কালি তেলেংগানাৰ কৰিমনগৰ আৰু ৱাৰাংগলত নিৰ্বাচনী সমাবেশত আৰু অন্ধ্ৰ প্ৰদেশৰ ৰাজমপেট আৰু বিজয়ৱাড়াত ৰোড শ্ব'ত ভাগ লয়। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেলেংগানাৰ কৰিমনগৰ লোকসভা সমষ্টিৰ ভেমুল্লাৱাড়াত স্থানীয় প্ৰাৰ্থী তথা বিজেপিৰ সাধাৰণ সম্পাদক বান্দি সঞ্জয় কুমাৰৰ হকে এখন জনসভাত প্ৰচাৰ চলায়। প্ৰধানমন্ত্ৰীয়ে বি আৰ এছ্ আৰু তেলেংগানাৰ কংগ্ৰেছ চৰকাৰক কঠোৰ ভাষাৰে সমালোচনা কৰাৰ লগতে কংগ্ৰেছৰ পৰিয়াল প্ৰথম নীতিৰ বিপৰীতে বিজেপিয়ে ৰাষ্ট্ৰ প্ৰথম নীতিত গুৰুত্ব আৰোপ কৰি আহিছে বুলি মন্তব্য কৰে।

শ্ৰীমোডীয়ে বিয়লি অন্ধ্ৰ প্ৰদেশৰ ৰাজমপেট লোকসভা সমষ্টিত এটা সমাবেশক সম্বোধন কৰে। তেওঁ কয় যে খনিৰ পৰা খনিজাত সম্পদলৈ, প্ৰতিভাশালী খেতিয়কৰ পৰা বুধিয়ক যুৱ প্ৰজন্মলৈ, পৰ্যটন সম্ভাৱনাৰ পৰা উদ্যোগলৈ সকলো ক্ষেত্ৰত ৱায়লছিমাৰ অপাৰ সম্ভাৱনা আছে। অপাৰ সম্ভাৱনা সত্বেও ৱাই এছ্ আৰ কংগ্ৰেছ চৰকাৰৰ অৱহেলাৰ বাবে অঞ্চলটোৰ উন্নয়ন হোৱা নাই বুলি প্ৰধানমন্ত্ৰীয়ে মন্তব্য কৰে। শ্ৰীমোডীয়ে ৱাই এছ্ আৰ কংগ্ৰেছে দুখীয়া জনসাধাৰণৰ উন্নয়নৰ পৰিৱৰ্তে মাফিয়া সৃষ্টি কৰা বুলি অভিযোগ তোলে। ৱাই এছ্ আৰ কংগ্ৰেছ চৰকাৰৰ পতনৰ ক্ষণ গণনা আৰম্ভ হৈছে বুলি উল্লেখ কৰি শ্ৰীমোডীয়ে কয় যে এন ডি এ ৱায়লছিমাক সাফল্যৰ শিখৰলৈ লৈ যাব আৰু অন্ধ্ৰ প্ৰদেশৰ অভুতপূৰ্ণ উন্নয়ন সম্ভ কৰি তুলিব।

বিজেপিৰ জ্যেষ্ঠ নেতাগৰাকীয়ে কয় যে এন ডি এ চৰকাৰ ক্ষমতালৈ আহিলে তেওঁলোকে সকলো জলসিঞ্চন প্ৰকল্পৰ কাম সম্পূৰ্ণ কৰিব আৰু খেতিয়কসকলৰ জীৱন সলনি কৰিব। তেওঁ লগতে শাক-পাচলিৰ বাবে বিশেষ মজুতকৰণ আৰু খাদ্য প্ৰসংস্কৰণ গোট স্থাপন কৰা হ'ব বুলি প্ৰতিশ্ৰুতি প্ৰদান কৰে।

অবিভাজিত অন্ধ্ৰ প্ৰদেশৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তথা ৰাজমপেটৰ পৰা বিজেপি প্ৰাৰ্থী এন কিৰণ কুমাৰ ৰেড্ডী, তেলেগু দেশম পাৰ্টীৰ ৰাষ্ট্ৰীয় সম্পাদক নাৰা লোকেশ, জন সেনাৰ জ্যেষ্ঠ নেতা কে নাগাবাবু আৰু এন ডি এ মিত্ৰজোঁটৰ ভালেকেইগৰাকী নেতা সমাবেশত উপস্থিত থাকে। পাছত শ্ৰীমোডীয়ে বিজয়ৱাড়াত এটা ৰোড শ্ব'ত অংশ লয়। ৰোড শ্ব'ত তেলেগু দেশম পাৰ্টীৰ মুৰববী নাৰা চন্দ্ৰবাবু নাইডু আৰু জনসেনাৰ মুৰববী কে পৱন কল্যাণে প্ৰধানমন্ত্ৰীক সংগ দিয়ে।

ইপিনে বিজেপিৰ জ্যেষ্ঠ নেতা তথা গৃহমন্ত্ৰী অমিত শ্বাহে কালি মহাৰাষ্ট্ৰৰ জালনাত এখন জনসভাত ভাষণ দিয়ে। ভাষণ প্ৰসঙ্গত গৃহমন্ত্ৰীগৰাকীয়ে দেশৰ সুৰক্ষা, সমৃদ্ধি আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত মৰ্যাদা বৃদ্ধিৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ভূমিকাৰ আলোকপাত কৰে। মাৰাঠৱাড়া স্বাধীনতা মুক্তিযুঁজাৰুসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি শ্ৰীশ্বাহে বাসগৃহ, পানী, গেছ সংযোগ আৰু আয়ুষ্মান ভাৰত যোজনাৰ অধীনত স্বাস্থ্য সেৱাৰ লেখিয়া অত্যাৱশ্যকীয় সা-সুবিধা আগবঢ়াই ৮০ কোটি জনসাধাৰণৰ জীৱনৰ মান উন্নত কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰীৰ প্ৰয়াসৰ ওপৰত আলোকপাত কৰে। শ্ৰীশ্বাহে লগতে আই এন ডি আই মিত্ৰজোঁটক তীব্ৰ সমালোচনা কৰে। আই এন ডি আই মিত্ৰজোঁটৰ কোনো সংহত নীতি, কাৰ্যসূচী অথবা নেতৃত্ব নাই বুলিও তেওঁ উল্লেখ কৰে।

দেশৰ অন্যান্য অংশৰ লগতে বিহাৰতো লোকসভা নিৰ্বাচনৰ প্ৰচাৰ পূৰ্ণ গতিত অব্যাহত আছে। অন ডি এ আৰু মহা মিত্ৰজোঁটৰ নেতাসকলে দলীয় প্ৰাৰ্থীৰ হকে ঠায়ে ঠায়ে নিৰ্বাচনী সভা আৰু সমাবেশত অংশগ্ৰহণ কৰা পৰিলক্ষিত হৈছে। বিজেপিৰ জ্যেষ্ঠ নেতা নীতিন গাডকাৰীয়ে কালি বেগুচৰাই সমষ্টিৰ মটিহানিত এখন নিৰ্বাচনী সভাত অংশ লয়। শ্ৰীগাডকাৰীয়ে কয় যে একমাত্ৰ এন ডি চৰকাৰেহে দৰিদ্ৰতা, কৰ্মসংস্থাপনহীনতা আৰু ক্ষুধাৰ সমস্যা দূৰ কৰিব পাৰে। তেওঁ কয় যে প্ৰধানমন্ত্ৰী  নৰেন্দ্ৰ মোডীয়ে খেতিয়কসকলৰ কল্যাণৰ হকে অহৰহ কাম কৰি আছে আৰু এই উদ্দেশ্যে ভালেমান আঁচনি ৰূপায়ণ কৰিছে।

মহা মিত্ৰজোঁটৰ আৰ জে ডি, কংগ্ৰেছ আৰু বাওঁ দলৰ নেতাসকলেও ৰাজ্যখনৰ বিভিন্ন অংশত নিৰ্বাচনী সভাত ভাগ লৈছে আৰু ভোটদাতাসকলৰ মন জয় কৰাৰ বাবে ঘৰে ঘৰে গৈ প্ৰচাৰ চলাইছে। আৰ জে ডিৰ নেতা তেজস্বী প্ৰসাদ যাদৱে কালি কাৰাকাট সংসদীয় সমষ্টিত অকোঢ়াগোলাত এখন জনসভাত ভাষণ দিয়ে। শ্ৰীযাদৱে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে ভাল দিনৰ নামত জনসাধাৰণৰ সৈতে বিশ্বাসঘাটকতা কৰা বুলি অভিযোগ তোলে। তেওঁ কয় যে কেন্দ্ৰত এন ডি এ চৰকাৰৰ ১০ বছৰ শাসন কালৰ পাছত নিবনুৱা সমস্যা বৃদ্ধি পাইছে। বিহাৰক বিশেষ ৰাজ্যৰ মৰ্যাদা প্ৰদানৰ প্ৰতিশ্ৰুতি এতিয়াও পূৰণ হোৱা নাই বুলি আৰ জে ডিৰ নেতাগৰাকীয়ে মন্তব্য কৰে।

ইপিনে তেলেংগানাৰ মুখ্যমন্ত্ৰী তথা পি পি চি দলৰ সভাপতি ৰেৱন্ত ৰেড্ডীয়ে কয় যে বিজেপি আৰু বি আৰ এছে তেলেংগানাৰ বাবে একোৱেই কৰা নাই। আৰ্মৰুৰত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰি তেওঁ কয় যে বি আৰ এছৰ মুৰববী কে চন্দ্ৰশেখৰ ৰাওৰ জনসাধাৰণক কংগ্ৰেছে দিয়া আশ্বাসৰ ৰূপায়ণক লৈ প্ৰশ্ন কৰাৰ কোনো অধিকাৰ নাই। পাছত তেওঁ নিজামাবাদত আন এটা ৰোড শ্ব'ত ভাগ লয়।

০০০০০০

লোকসভা নিৰ্বাচনৰ পঞ্চম পৰ্যায়ত ৬ খন ৰাজ্য আৰু দুটা  কেন্দ্ৰীয় শাসিত অঞ্চলৰ ৪৯ টা সমষ্টিৰ বাবে মুঠ ৬৯৫ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দিতা আগবঢ়াইছে। এই পৰ্যায়ৰ  বাবে মুঠ এহেজাৰ ৫৮৬

খন মনোনয়ন পত্ৰ দাখিল কৰা হৈছিল আৰু পৰীক্ষাৰ অন্তত ৭৪৯ খন মনোনয়ন বৈধ বুলি বিবেচিত হৈছে। এই পৰ্যায়ত উত্তৰ প্ৰদেশৰ ১৪ খন, মহাৰাষ্ট্ৰৰ ১৩ খন, পশ্চিমবংগৰ ৭খন, বিহাৰ আৰু ওড়িশাৰ ৫ খনকৈ, ঝাৰখণ্ডৰ তিনিখন, আৰু জম্মু কাশ্মীৰ তথা লাডাখত এখনকৈ আসনৰ বাবে ২০ মে'ত ভোটগ্ৰহণ কৰা হব।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে আজি ৰাষ্ট্ৰপতি ভৱনত হ'বলগীয়া এটা অনুষ্ঠানত পদ্ম বঁটা প্ৰদান কৰিব।

দেশৰ অন্যতম সৰ্বোচ্চ অসামৰিক বঁটাটি - পদ্ম বিভূষণ, পদ্ম ভূষণ আৰু পদ্মশ্ৰী-এই তিনিটা শাখাত প্ৰদান কৰা হয়। কলা, সামাজিক কৰ্ম, জনসংযোগ, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, চিকিৎসা, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া আৰু অসামৰিক সেৱাকে ধৰি বিভিন্ন ভাগ আৰু কাৰ্য্যকলাপৰ ক্ষেত্ৰত এই বঁটা প্ৰদান কৰা হয়। প্ৰতি বছৰে গণৰাজ্য দিৱস উপলক্ষে এই বঁটা ঘোষণা কৰা হয়।

ৰাষ্ট্ৰপতিগৰাকীয়ে বিগত ২২ এপ্ৰিলত তিনিটা পদ্মবিভূষণ, আঠটা পদ্মভূষণ আৰু ৫৫টা পদ্মশ্ৰী বঁটা প্ৰদান কৰিছিল।

০০০০০০

দিল্লীৰ ৰাউজ এভিনিউ আদালতে আবকাৰি নীতিৰ গোচৰত দিল্লীৰ প্ৰাক্তন উপ-মুখ্যমন্ত্ৰী মনীষ ছিছোদিয়াৰ ন্যায়িক জিম্মাৰ ম্যাদ ২১ মে'লৈ বৃদ্ধি কৰিছে। পূৰ্বৰ ন্যায়িক জিম্মাৰ ম্যাদ সমাপ্ত হোৱাৰ পাছত ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে কালি ন্যায়ালয়ৰ সন্মুখত হাজিৰ হোৱা সময়ত বিশেষ ন্যায়াধীশ কাৱেৰে বাৱেজাই ছিছোদিয়াৰ জিম্মাৰ ম্যাদ বৃদ্ধি কৰে।

০০০০০০

অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদৰ অধীনৰ চলিত বৰ্ষৰ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফলসমূহ আজি পুৱা ৯ বজাত প্ৰকাশ কৰা হ'ব। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে সামাজিক মাধ্যমৰ জৰিয়তে এই কথা প্ৰকাশ কৰিছে।

০০০০০০

ভাৰতৰ বিদেশ সচিব বিনয় মোহন কোৱাট্ৰা কালি চমু বাংলাদেশ ভ্ৰমণসূচীৰে ঢাকাত উপস্থিত হয়। শ্ৰীকোৱাট্ৰাই আজি বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা আৰু বৈদেশিক মন্ত্ৰী হাছান মাহমুদক সাক্ষাৎ কৰাৰ সম্ভাৱনা আছে। সামাজিক মাধ্যমৰ এটা পোষ্টত বাংলাদেশৰ বিদেশ মন্ত্ৰালয়ে শ্ৰীকোৱাট্ৰাৰ এই ভ্ৰমণ সন্দৰ্ভত সবিশেষ প্ৰকাশ কৰি কয় যে আজি তেওঁ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা আৰু বিদেশ মন্ত্ৰী হাছান মাহমুদক সাক্ষাৎ কৰাৰ লগতে বাংলাদেশৰ বিদেশ সচিব মাছুদ বিন মোমেনৰ সৈতেও বৈঠকত মিলিত হোৱাৰ কথা আছে। বিগত ফেব্ৰুৱাৰীত বাংলাদেশৰ বিদেশ মন্ত্ৰী হাছান মাহমুদ ভাৰতত উপস্থিত হোৱাৰ সময়ত ভাৰতৰ বিদেশ মন্ত্ৰী ড° এছ জয়শংকৰে উষ্ম আদৰণি জনাই উভয় পক্ষৰ আলোচনাৰ মাধ্যমেৰে দেশ দুখনৰ মাজৰ চিৰস্থায়ী বন্ধুত্বক সুদৃঢ় কৰাত গুৰুত্ব আৰোপ কৰিছিল।

০০০০০০

মালদ্বীপৰ বিদেশ মন্ত্ৰী মুছা জামিৰ তিনিদিনীয়া ভাৰত ভ্ৰমণৰ কাৰ্য্যসূচীৰে কালি সন্ধিয়া নতুন দিল্লীত উপস্থিত হয়। তেওঁ আজি বিয়লি ভাৰতৰ বিদেশ মন্ত্ৰী ড০ এছ জয়শংকৰক সাক্ষাৎ কৰি পাৰস্পৰিক স্বাৰ্থজড়িত দ্বিপাক্ষিক আৰু আঞ্চলিক বিষয়সমূহৰ সন্দৰ্ভত আলোচনা কৰাৰ কথা আছে।

বিদেশ মন্ত্ৰালয়ে কৈছে যে ভাৰত মহাসাগৰীয় অঞ্চলত মালদ্বীপ হ'ল ভাৰতৰ মূল সামুদ্ৰিক চুবুৰীয়া দেশ আৰু বিদেশ মন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে উভয় দেশৰ দ্বিপাক্ষিক সহযোগিতাক অধিক গতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

০০০০০০

বিজেপিয়ে কালি চলিত লোকসভা নিৰ্বাচনৰ বাবে তিনিগৰাকী প্ৰাৰ্থীৰ নাম থকা আন এখন তালিকা প্ৰকাশ কৰে। তালিকা অনুসৰি দলটোৱে পঞ্জাৱৰ আনন্দপুৰ চাহিব আসনৰ পৰা ড০ সুভাষ শৰ্মা আৰু ফিৰোজপুৰ আসনৰ পৰা ৰানা গুৰমীত সিং সোধীক প্ৰক্ষেপ কৰাৰ বিপৰীতে অৰবিন্দ খান্নাক চংগ্ৰুৰ সংসদীয় সমষ্টিৰ পৰা প্ৰাৰ্থী হিচাপে ঘোষণা কৰিছে। বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচনী সমিতিয়ে প্ৰাৰ্থী তিনিগৰাকীৰ নাম চূড়ান্ত কৰিছে।

০০০০০০

ছানৰাইজাৰ্ছ হায়দৰাবাদে যোৱা নিশা হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ১০ উইকেট পৰাস্ত কৰে। খেলখনত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ২০ অভাৰত চাৰিটা উইকেট হেৰুৱাই ১৬৫ ৰাণ সংগ্ৰহ কৰে। লক্ষ্ণৌৰ হৈ আয়ুষ বডোনিয়ে ৩০টা বলত ৫৫ ৰাণ কৰি আউট নোহোৱাকৈ থাকে। নিকোলাছ পুৰাণে ৪৮ ৰাণৰ বৰঙণি আগবঢ়ায়। ছানৰাইজাৰ্ছ হায়দৰাবাদৰ ভূৱনেশ্বৰ কুমাৰে দুটা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত ছানৰাইজাৰ্ছ হায়দৰাবাদে ৯ অভাৰ আৰু চাৰিটা বলত এটাও উইকেট নেহেৰুৱাকৈ ১৬৭ ৰাণ কৰে। হায়দৰাবাদৰ অপেনাৰ অভিযেক শৰ্মা আৰু ট্ৰেভিছ হেডে ক্ৰমে ৭৫ আৰু ৮৯ ৰাণ কৰে। ট্ৰেভিছ হেডক প্লেয়াৰ অব দ্য মেচ হিচাপে ঘোষণা কৰা হয়। প্ৰতিযোগিতাত আজি ধৰমশালাত হ'বলগীয়া পাঞ্জাব কিংছ ৰয়েল ছেলেঞ্জাৰ্ছ বেংগালুৰুৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

সমাপ্ত